# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-JUNE-2026
**Time :** 12:05 HRS

***Assamese 12.05 PM Bulletin***

১। সম্প্ৰসাৰিত অসম মন্ত্ৰীসভাত স্থান লাভ কৰিবলগীয়া মন্ত্ৰীসকলৰ তালিকা আজি প্ৰকাশ পোৱাৰ সম্ভাৱনা।

২। ৰাজ্যত বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি কাইলৈ প্ৰায় এক কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ।

৩। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন শুনানিৰ বাবে অগ্ৰাহ্য।

**আৰু**

৪। শ্বিলঙত আজি উত্তৰ-পূব পৰিষদৰ ৭৩ সংখ্যক পূৰ্ণাংগ অধিবেশন।

০০০০০০

সম্প্ৰসাৰিত অসম মন্ত্ৰীসভাত স্থান লাভ কৰিবলগীয়া মন্ত্ৰীসকলৰ তালিকা আজি প্ৰকাশ পোৱাৰ সম্ভাৱনা আছে। বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বৰ সৈতে আলোচনামৰ্মে মুখ্যমন্ত্ৰীয়ে নতুন মন্ত্ৰীসকলক দায়িত্ব অৰ্পন কৰিব বুলি কোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে আজি মন্ত্ৰীসকলৰ তালিকা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক দাখিল কৰিব।

ইপিনে, খানাপাৰাৰ জ্যোতিবিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কাৰ্যসূচীৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। কাইলৈ দিনৰ ১২ বাজি ৪৫ মিনিটত শপতগ্ৰহণ অনুষ্ঠান আৰম্ভ হ'ব। ৰাজ্যপাল শ্ৰী আচাৰ্যই মন্ত্ৰীসভাত নতুনকৈ স্থান লাভ কৰিবলগীয়া বিধায়কসকলক শপতবাক্য পাঠ কৰোৱাব। এই অনুষ্ঠানৰ অভ্যৰ্থনাৰ বাবে অসম অসামৰিক সেৱাৰ ৮ গৰাকী বিষয়াক দায়িত্ব অৰ্পণ কৰা হৈছে। উল্লেখযোগ্য যে যোৱা ১২ মে'ত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ সৈতে ৰামেশ্বৰ তেলী, অতুল বৰা, অজন্তা নেওগ আৰু চৰণ বড়োৱে মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিল। মন্ত্ৰীসভা গঠন সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে নতুন দিল্লীত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে মিলিত হয়।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সৌজন্যমূলক সাক্ষাৎ কৰাৰ পাছত ৰাষ্ট্ৰপতি ভৱনত স্থাপন কৰা ১১ টা ধ্ৰুপদী ভাষাৰ পুথিভঁৰাল গ্ৰন্থকুটিৰ দৰ্শন কৰে। এই বিষয়ে সামাজিক মাধ্যমত প্ৰকাশ কৰি ড° শৰ্মাই কয়, যে এই কুটিৰত অসমৰ সাঁচিপতীয়া পুথি, সাঁচিপাত প্ৰস্তুত আৰু লিখনৰ ঐতিহ্য সুন্দৰভাৱে উপস্থাপন কৰা হৈছে। অসম চৰকাৰৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ আৰু বিভিন্ন সত্ৰ অনুষ্ঠানৰ সহযোগত সংগৃহীত এই অমূল্য সম্পদসমূহে নতুন প্ৰজন্মক অসমৰ সমৃদ্ধ ঐতিহ্য আৰু জ্ঞান সংস্কৃতিৰ সৈতে পুনৰ সংযোগ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে মত প্ৰকাশ কৰে। পাঁচ শতাধিক অসমীয়া গ্ৰন্থ আৰু

সাঁচিপতীয়া পুথিৰে সমৃদ্ধ এই পুথিভঁৰালে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো সমাদৰ লাভ কৰা বুলি পুথিভঁৰালৰ বিষয়ববীয়াই প্ৰকাশ কৰাৰ কথাও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

oooooo

ৰাজ্যত বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি কাইলৈ প্ৰায় এক কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। আত্মসহায়ক গোটৰ ৩৫ লাখতকৈ অধিক মহিলাক এই অভিযানৰ সৈতে জড়িত কৰোৱা হ'ব। ৰাজ্য চৰকাৰে বৃহৎ পৰিসৰৰ বনানিকৰণ, স্বচ্ছ শক্তিৰ প্ৰসাৰ আৰু আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে পৰিৱেশ সুৰক্ষা আৰু বহনক্ষম উন্নয়নক অগ্ৰাধিকাৰ দিয়াৰ বাবে এই পদক্ষেপ লৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে আত্মসহায়ক গোটৰ সদস্যাসকলে ৰাজ্যজুৰি এই পদক্ষেপত অংশগ্ৰহণ কৰি অকল সেউজ অসম গঢ়াৰ দিশতেই নহয় বৰং পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত নাৰী শক্তি অদম্য নেতৃত্ব আৰু দায়বদ্ধতাৰো উজ্বল নিৰ্দশন দাঙি ধৰিব।

সমগ্ৰ শিক্ষা অসমে বিশ্ব পৰিবেশ দিৱসৰ সৈতে সংগতি ৰাখি কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ সকলো জিলাৰ জিলা মিছন সমন্বয়ক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ পত্ৰ প্ৰেৰণ কৰিছে। সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালক ওম প্ৰকাশে প্ৰেৰণ কৰা এই পত্ৰত উল্লেখ কৰা অনুসৰি বিশ্ব পৰিবেশ দিৱসৰ সৈতে সামঞ্জস্য ৰাখি কাইলৈৰ পৰা ৩০ জুনলৈ ইকো ক্লাবছ ফৰ মিছন লাইফৰ পৃষ্ঠপোষকতাত সেউজ গ্ৰীষ্ম শিবিৰ অনুষ্ঠিত কৰা হ'ব। তদুপৰি প্ৰতিখন বিদ্যালয়ত 'মাতৃৰ নামত এজোপা গছ' শীৰ্ষক কাৰ্যসূচীৰ তৃতীয় সংস্কৰণ ৰূপায়ণ কৰা হ'ব। শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকৰ জৰিয়তে এইবাৰ ২৮ লাখ ৩৬ হাজাৰ ২৩২ টা গছপুলি ৰোপণৰ লক্ষ্য লোৱা হৈছে। যোৱা শিক্ষা বৰ্ষত ৫৫ হাজাৰ ১৯৮ খন বিদ্যালয় পঞ্জীয়ন হৈছিল যদিও ৫১ হাজাৰ ২৪ খন বিদ্যালয়েহে প'ৰ্টেলত গছপুলি ৰোপণৰ তথ্য আপলোড কৰিছিল। বাকী থকা বিদ্যালয়সমূহকো প'ৰ্টেলত তথ্য দাখিল কৰিবলৈ কোৱা হৈছে।

ডিব্ৰুগড় জিলা সাংবাদিক সন্থা আৰু বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ উদ্যোগত কাইলৈ বিশ্ব পৰিৱেশ দিৱস পালনৰ প্ৰস্তুতি চলোৱা হৈছে। লক্ষ্মীনাথ বেজবৰুৱা উদ্যানৰ সমীপৰ চ্যুকাফা সমন্বয় ক্ষেত্ৰত এই উপলক্ষে গছপুলি ৰোপনৰ লগতে সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। উল্লেখযোগ্য যে এইবাৰৰ বিশ্ব পৰিৱেশ দিৱসৰ বিষয়বস্তু হৈছে – 'জলবায়ু পৰিৱৰ্তন'।

oooooo

ৰাজ্যিক ফুল কপৌ ফুলৰ ৰঙেৰে নীলা আৰু বেঙুনীয়াৰ সমাহাৰেৰে গুৱাহাটী মহানগৰীক নতুন ৰূপ দিবলৈ ওলোৱা অভিযান কাইলৈ দিছপুৰৰ পৰা আৰম্ভ কৰাৰ যো-জা চলোৱা হৈছে বুলি স্থানীয় বিধায়ক প্ৰদ্যুৎ বৰদলৈয়ে প্ৰকাশ কৰিছে। তেওঁ কালি গুৱাহাটীত সাংবাদিকৰ আগত কয়, যে এজাৰ আৰু কাঞ্চন গছ ৰোপনেৰে গুৱাহাটীখনক বেঙুনীয়া মহানগৰ হিচাপ গঢ়ি তোলাৰ পৰিকল্পনা কৰা হৈছে। গুৱাহাটী পৌৰ নিগমে এই সন্দৰ্ভত গ্ৰহণ কৰা সিদ্ধান্তৰ প্ৰতি আদৰণি জনাই বিধায়কগৰাকীয়ে কয়, যে কাইলৈ বিশ্ব পৰিৱেশ দিৱস উপলক্ষে কপৌফুলৰ লগতে থলুৱা প্ৰজাতিৰ উদ্ভিদ এজাৰ আৰু কাঞ্চন ৰোপণৰ বাবে বাছি লোৱা হৈছে।

**ৰাইট**

দিছপুৰ কল্ক টাৱাৰৰ তলত এজাৰ পুলি ৰোপনেৰে অভিযান আৰম্ভ হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। বিধায়কগৰাকীয়ে কয়, যে প্ৰতিটো সমষ্টিত এক লাখকৈ গছপুলি ৰোপণ কৰা হ'ব। তেওঁ কয়, যে আধুনিক

সা-সুবিধা, আন্তঃগাঁথনি আৰু জনসাধাৰণৰ বাবে প্ৰয়োজনীয় সুবিধা বৰ্ধনৰ লগতে গুৱাহাটীৰ নিজাববীয়া পৰিচয় গঢ়ি তোলাৰ উদ্দেশ্যে পাৰ্পল চিটী অভিযানৰ পৰিকল্পনা কৰা হৈছে।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পাৰ্থিবজ্যোতি শইকীয়াৰ বিচাৰপীঠে আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ শুনানি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। ইপিনে, অভিযুক্তগৰাকীৰ মহাবীৰ একুৱা নামৰ ব্যৱসায় প্ৰতিষ্ঠানটো জব্দ কৰিবলৈ ফাষ্টট্ৰেক আদালতে দিয়া নিৰ্দেশক প্ৰত্যাহ্বান জনাই চেতন ধীৰাচৰিয়া নামৰ এজন লোকে উচ্চ ন্যায়ালয়ত দাখিল কৰা আবেদনখনৰ সন্দৰ্ভতো আজি আদালতখনে শুনানি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। আদালতে এই গোচৰ আৰু আবেদন অন্য আদালতলৈ হস্তান্তৰ কৰে। উল্লেখযোগ্য যে, এই ব্যক্তিগৰাকীৰ সৈতে যৌথ অংশীদাৰিত্বৰে অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাই মহাবীৰ একুৱা নামৰ ব্যৱসায় প্ৰতিষ্ঠানটো স্থাপন কৰিছিল। জুবিন গাৰ্গৰ পৰা লুণ্ঠন কৰা ধনেৰে এই প্ৰতিষ্ঠানটো স্থাপন কৰাৰ অভিযোগত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে এই প্ৰতিষ্ঠানটো জব্দ কৰিবলৈ আৰক্ষীক অনুমতি প্ৰদান কৰিছিল।

০০০০০০

উত্তৰ-পূব পৰিষদৰ ৭৩ সংখ্যক পূৰ্ণাংগ অধিবেশন আজি মেঘালয়ৰ ৰাজধানী শ্বিলঙত অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা  উত্তৰ-পূৱ পৰিষদৰ অধ্যক্ষ অমিত শ্বাহৰ সভাপতিত্বত হ'বলগীয়া এই বৈঠকত অঞ্চলটোৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ উন্নয়নৰ বাবে গঠন কৰা মুখ্যমন্ত্ৰী উচ্চ পৰ্যায়ৰ কাৰ্যবাহিনীৰ প্ৰতিবেদন সন্দৰ্ভত বিশেষভাৱে আলোচনা কৰা হ'ব। অধিবেশনত পৰ্যটন, কৃষি আৰু উদ্যানশস্য, বিনিয়োগৰ প্ৰসাৰ, অৰ্থনৈতিক কৰিড'ৰৰ উন্নয়ন, আন্তঃগাঁথনি আৰু যোগাযোগ তথা হস্ততাঁত-হস্তশিল্প, গাখীৰ, কণী, মাছ-মাংসৰ উৎপাদনৰ স্বাৱলম্বিতা অৰ্জনক লৈ উত্তৰ-পূবৰ মুখ্যমন্ত্ৰীসকলে প্ৰতিবেদন দাখিল কৰিব। এই অধিৱেশনত বিভিন্ন ৰাজ্যৰ প্ৰতিনিধি আৰু অংশীদাৰসকলৰ মাজত উন্নয়নৰ লক্ষ্য সন্দৰ্ভত উমৈহতীয়া মতামত গঢ়ি তোলাৰ লগতে সমন্বিত প্ৰচেষ্টা গ্ৰহণ কৰাৰ প্ৰয়াস কৰা হ'ব। উত্তৰ-পূৰ্বাঞ্চলক ২০৪৭ চনৰ ভিতৰত অৰ্থনৈতিক উন্নয়ন, যোগাযোগ, উদ্ভাৱন, বহনক্ষমতা আৰু সাংস্কৃতিক সমৃদ্ধিৰ প্ৰাণৱন্ত কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে উত্তৰ-পূব ভৱিষ্য পৰিকল্পনা ২০৪৭ সন্দৰ্ভত এই বৈঠকত আলোচনা কৰা হ'ব।

উল্লেখযোগ্য যে ১৯৭১ চনৰ উত্তৰ-পূব পৰিষদ আইনৰ অধীনত প্ৰতিষ্ঠা লাভ কৰা উত্তৰ-পূব পৰিষদে সমগ্ৰ অঞ্চলটোৰ পৰিকল্পনা গ্ৰহণৰ ক্ষেত্ৰত সৰ্বোচ্চ কৰ্তৃপক্ষ হিচাপে কাম কৰি আহিছে। এই পৰিষদে অঞ্চলটোত সমন্বিত উন্নয়ন আৰু সহযোগিতামূলক যুক্তৰাষ্ট্ৰীয়বাদ শক্তিশালী কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। আজিৰ অনুষ্ঠানত ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, ড'নাৰ ৰাজ্য মন্ত্ৰী সুকান্ত মজুমদাৰ, উত্তৰ-পূবৰ ৮ খন ৰাজ্যৰ ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীসকলৰ লগতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকিব।

০০০০০০

জাগীৰোড সমষ্টিৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী পীযূষ হাজৰিকাই কালি জাগীৰোড সমজিলাৰ আয়ুক্ত আৰু বন বিভাগৰ কেইবাগৰাকীও বিষয়াৰ সৈতে সোণাইকুছি পাহাৰ এলেকা পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত তেওঁ এই অঞ্চলটোৰ সমস্যাসমূহৰ সবিশেষ বুজ লয়। উল্লেখযোগ্য যে সোণাইকুছি পাহাৰ অঞ্চল বনৰীয়া হাতীৰ মুক্ত

বিচৰণ ভূমি আৰু জৈৱ বৈচিত্ৰ্যৰ দিশৰ পৰা অত্যন্ত গুৰুত্বপূৰ্ণ। আনহাতে চোৰাং চিকাৰীৰ কাৰ্যকলাপৰ ফালৰ পৰা অঞ্চলটো স্পৰ্শকাতৰ হিচাপে বিবেচনা কৰা হয়। বিধায়কগৰাকীয়ে বন বিভাগৰ বিষয়া-কৰ্মচাৰীৰ সৈতে বৈঠকত মিলিত হৈ হস্তীকূলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি চোৰাং চিকাৰ ৰোধ কৰাৰ বাবেও কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে।

০০০০০০

দৰং জিলাৰ মঙলদৈৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত এজন মটৰ চাইকেল আৰোহীৰ থিতাতে নিহত হয়। এই ঘটনাত আন দুজন মটৰ চাইকেল আৰোহী গুৰুতৰভাৱে আহত হয়। নিহত লোকজন বিদ্যুৎ ৰাজবংশী বুলি চিনাক্ত কৰা হৈছে। আহত দুজনক ততালিকে মঙলদৈ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

০০০০০০

গোৱালপাৰা জিলাৰ ধূপধৰা আৰক্ষীয়ে গোপন তথ্যৰ ভিত্তিত চাপলাই গাঁৱত অভিযান চলাই ১ কিলোগ্ৰাম ৮৪৭ গ্ৰাম ভাং জব্দ কৰাৰ লগতে দীপক দাস নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰিছে। ঘটনা সন্দৰ্ভত ধূপধৰা আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰিছে। দুধনৈ সমজিলা আৰক্ষী অধীক্ষক নুপুৰ ৰঞ্জন নেওগে অনাগত সময়তো নিষিদ্ধ ড্ৰাগছ, মাদকদ্ৰব্যৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত থাকিব বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে।

০০০০০০

**সমাপ্ত**